blogasom.blogspot.in

ধেমেলীয়া ভুলৰ কাহিনী

(শ্বেক্সপীয়েৰৰ ব্যংগ Comedy of Errors ৰ ভাবানুবাদ)

উইলিয়াম শ্বেক্সপীয়েৰ

blogasom.blogspot.in

নিবেদন

বিশ্ববিখ্যাত কবি আৰু নাট্যকাৰ উইলিয়াম শেক্সপীয়াৰৰ জন্ম হৈছিল ১৫৬৪ খৃষ্টাব্দৰ ২৩ এপ্ৰিলত। তেওঁৰ পিতৃৰ নাম আছিল জন শেক্সপীয়াৰ। তেওঁ পিতৃৰ তৃতীয় সন্তান। ল'ৰাৰ ভিতৰত প্ৰথম ল'ৰা। দুজনী বায়েকৰ জন্ম পোৱাৰ পাছত তেওঁৰ জন্ম হৈছিল। তেওঁলোকৰ বাই-ভনী আৰু ভায়েক মিলি আঠটি। দুজনী বায়েকৰ পাছত উইলিয়াম শেক্সপীয়াৰ আৰু তেওঁৰ পাছত দুজনী ভনী আৰু তিনিজন ভায়েক। তেওঁলোকৰ আদি বাসস্থানৰ নাম ষ্ট্ৰাটফোৰ্ড।

বহুত গৱেষকৰ মতে শেক্সপীয়াৰ লণ্ডনলৈ আহিছিল ১৫৮৪ খৃষ্টাব্দত (আনুমানিক)। তাৰ আগতে তেওঁ গাঁৱলীয়া স্কুলমাষ্টাৰ আছিল। বিশ্ববিখ্যাত বহু গৱেষকৰ তথ্যৰ পৰা বুজা যায় যে শেক্সপীয়াৰে আনুমানিক ১৫৮৪-৮৫ খৃষ্টাব্দৰ পৰা ১৫৯৪ খৃষ্টাব্দৰ ভিতৰত লণ্ডনৰ বিদ্বান সমাজৰ মাজত বিশ্ববিখ্যাত কবি আৰু নাট্যকাৰ ৰূপে পৰিচিত হৈছিল। সেই সময়চোৱাৰ ভিতৰত তেওঁ চেম্বাৰলেনৰ থিয়েটাৰত যোগদান কৰিছিল। নাটক লিখিছিল আৰু অভিনয় কৰি বিশ্ববিখ্যাত হৈছিল। তেওঁৰ ৰচনা কৰা নাটকৰ সংখ্যা ৩৭ খন বুলি জনা যায়।

ইংল্যাণ্ডৰ ইতিহাসৰ পৰা তেওঁ ৰুবঞ্জীমূলক নাটকবোৰ ৰচনা কৰিছিল। বুৰঞ্জীমূলক, হাস্যৰসাত্মক, দুঃখজনক এই তিনি ধৰণৰ নাটক আছে তেওঁৰ। সকলোবোৰ নাটকে সেই সময়ত পঢ়ুৱৈ সমাজক আৰু অভিনয় দৰ্শকক বিমল আনন্দ প্ৰদান কৰিছিল। আজিও তেওঁৰ নাটকে পৃথিৱীৰ সকলো সমাজত সমাদৃত হৈ আছে। পৃথিৱীৰ কেইবাটিও ভাষাত তেওঁৰ নাটকৰ অনুবাদ হয়। ভাৰতীয় ভাষাতো কেইখনমান অনুবাদিত হৈছে।

blogasom.blogspot.in

বহুবছৰ আগৰ কথা। চাইৰাকিউজ আৰু এফিচাচ নামৰ দুখন ৰাজ্য ওচৰা-ওচৰিকৈ আছিল। নানা কাৰণত দুয়ো ৰাজ্যৰ মাজত খুট্‌খাট্ লাগি থাকে। ইখন ৰাজ্যৰ মানুহক সিখন ৰাজ্যৰ মানুহে ভাল নাপায়। সৰু কথাতেই বেছি ডাঙৰ বুলি ভাবি লৈ সময়ত কাজিয়া লাগে।

এবাৰ ব্যৱসায় সম্পৰ্কত দুয়ো ৰাজ্যৰ শাসনকৰ্তাৰ মাজত ডাঙৰ কাজিয়া হৈছিল। এফিচাচ ৰাজ্যৰ শাসনকৰ্তাৰ মনত ভীষণ খং। তেওঁ ঘোষণা কৰি দিলে যে চাইৰাকিউজৰ কোনোবা মানুহ যদি তেওঁৰ ৰাজ্যলৈ আহে তেন্তে সেই মানুহক মৃত্যুদণ্ড দিয়া হ'ব। মৃত্যুদণ্ড দিয়া মানুহজনক যদি তেওঁৰ ৰাজ্যৰ মানুহে জামিনদাৰ হৈ এহেজাৰ মোহৰ দিবলৈ মান্তি হয় তেন্তে প্ৰাণ-দণ্ডৰ পৰা ৰেহাই পাব।

চাইৰাকিউজৰ শাসনকৰ্তাই এই কথা জানি তেওঁৰ ৰাজ্যৰ কোনো মানুহক কোনো কাৰণতে এফিচাচ ৰাজ্যলৈ যাবলৈ বাধা দিলে। গতিকে দুই ৰাজ্যৰ মাজত ব্যৱসায় বাণিজ্য একেবাৰে বন্ধ হ'ল।

চাইৰাকিউজ আৰু এফিচাচ আচলতে দুটি সৰু দ্বীপ। সেই দ্বীপ দুটালৈ নানাদেশৰ মানুহে ব্যৱসায় কৰিবলৈ যায়। দুয়ো দ্বীপৰ শাসনকৰ্তাই দ্বীপৰ বন্দৰত পহৰাৰ ব্যৱস্থা কৰি ৰাখিছে।

চাইৰাকিউজৰ এজন বুঢ়া বণিকে এদিন এফিচাচ দ্বীপলৈ গ'ল। সেই দ্বীপৰ পহৰাদাৰে তেওঁৰ পৰিচয় সুধিলে। বুঢ়াজনে সঁচা পৰিচয় দিলে। দুয়োটা দ্বীপৰ মাজত যে কিবা কাজিয়া লাগিছে আৰু দুয়োটা দ্বীপৰ মানুহ অহা-যোৱা নিষেধ সেইকথা তেওঁ নাজানে। কাৰণ তেওঁ বহুদিন আন দ্বীপত ব্যৱসায় কৰি আছিল। নজনা বাবে তেওঁ নিজৰ পৰিচয় দিলে। পহৰাদাৰে বুঢ়াজনক বন্দী কৰিলে। তেওঁৰ লগত যি যি বস্তু-বাহানী আছিল সোপাকে কাঢ়ি

blogasom.blogspot.in

ললে। তাৰপাছত শাসনকৰ্ত্তাৰ ওচৰলৈ বুঢ়াক নিয়া হ'ল। সেই বুঢ়া মানুহজনৰ নাম ইজিয়ান।

শাসনকৰ্ত্তাই তেওঁক পুনৰ পৰিচয় সুধিলে। তাৰপাছত ক'লে—"তুমি চাইৰাকিউজৰ মানুহ। তোমালোকৰ ৰাজ্যৰ মানুহ আমাৰ ৰাজ্যলৈ আহিলে মৃত্যুদণ্ড হোৱাৰ কথা তুমি নাজানানেকি ?"

ইজিয়ানে ক'লে—"মহামান্য ডিউক, মই বহুবছৰ আমাৰ ৰাজ্যৰ বাহিৰত আছিলো। আমাৰ লগত অপোনাৰ কাজিয়াৰ কথা আৰু এই আইনৰ কথা মই একেবাৰে নাজানো।"

—ঠিক আছে তুমি মোৰ ৰাজ্যৰ কোনোবা মানুহক তোমাৰ জামিনদাৰ কৰা। তেওঁ তোমাৰ হকে এক হাজাৰ মোহৰ জামিনৰ ধন হিচাপে আদায় দিব লাগিব। সেই ধন আদায় পালে তোমাৰ মুক্তি হ'ব। আদায় নাপালে কিন্তু তোমাৰ ডিঙিকটা যাবই যাব।"

মই আপোনাৰ ৰাজ্যৰ কোনো মানুহ চিনি নাপাওঁ। এই-বাৰলৈ মোক ক্ষমা কৰক। মই বৰ বিপদত পৰিহে আপোনাৰ ৰাজ্য পাইছো। মই কোনো ব্যৱসায় কৰিবলৈ ইয়ালৈ অহা নাই।

—কি বিপদ হৈছে কোৱা। স'চা কথা কৰা।

—স'চা কথা কম। মিছা কোৱাৰ মোৰ কোনো প্ৰয়োজন নাই। মৃত্যুলৈ মোৰ কোন ভয় নাই মই বাচি থাকিব ইচ্ছাও কৰা নাই। যিমান দুখত জীৱন কটাইছে তাতকৈ মৃত্যু হ'লেহে বেছি ভাল। মোৰ দুখৰ কাহিনী শুনক।

মোৰ জন্ম চাইৰাকিউজ দ্বীপত। মই ডাঙৰ হোৱাত বিয়াবাৰু কৰালো। ব্যৱসায় কৰি জীৱন কটাবলৈ সিদ্ধান্ত ললো। মোৰ পত্নীক ঘৰত ৰাখি জাহাজত উঠি এপিডামনাচ দ্বীপলৈ ব্যৱসায় কৰিবলৈ গৈছিলো। তাত ছমাহ কটালো। মোৰ ব্যৱসায় সমাপ্ত হবলৈ আৰু বহুদিন লাগিব। সেইবাবে ঘৰলৈ আহি মোৰ পত্নীকো তালৈ নিছিলো। তাত মোৰ পত্নীৰ দুটি যমজ (য'জা)

blogasom.blogspot.in

ল'ৰা সন্তান জন্ম দিছিল। ল'ৰা দুটিৰ চেহেৰা একে। বৰ ধুনীয়া। কোনটি ডাঙৰ কোনটি সৰু আমি হঠাৎ গমেই নাপাওঁ।

মোৰ পত্নীৰ সন্তান দুটি জন্ম পোৱাৰ দিনাখনেই মোৰ বাসস্থানৰ ওচৰৰ তিৰোতা এজনীও দুটা যমজ ল'ৰা সন্তানৰ জন্ম দিছিল। সিহঁত দুটিৰো চেহেৰা একেই। দুখৰ বিষয় সেই ল'ৰা দুটি জন্ম পোৱাৰ কেইমাহমান পাছতেই সিহঁতৰ মাক-দেউতাক ঢুকাল। মই সেই ল'ৰা দুটিক আমাৰ বাসস্থানলৈ আনিলো। ভাবিছিলো সিহঁত ডাঙৰ হ'লে দুয়োজনে মোৰ ল'ৰা দুজনৰ সহকাৰী হ'ব।

মোৰ ল'ৰা দুটিক ডাঙৰ অ্যাণ্টিফোলাচ আৰু সৰু অ্যাণ্টিফোলাচ নাম দিলো। সেই অনাথ ল'ৰা দুটিক ডাঙৰ দ্ৰোমিও আৰু সৰু দ্ৰোমিও নাম দিলো। চাৰিওটি ল'ৰা ডাঙৰ হবলৈ ধৰিলে। চাৰিওৰ মাজত বেচ মিলপ্ৰীতি গঢ় উঠিছিল। আমি সেই দ্বীপত বহুবছৰ থাকিলো।

বহুবছৰ নিজৰ ৰাজ্য আৰু নিজৰ ঘৰ এৰি বিদেশত বসবাস কৰি থকা বাবে মোৰ পত্নীৰ নিজ ৰাজ্যলৈ উভতিবৰ বৰ আগ্ৰহ হ'ল। তেওঁ প্ৰতিদিনে মোক উভতিবৰ বাবে কৈ থকাত এদিনময়ো সম্মত হবলৈ বাধ্য হলো।

পত্নী, নিজৰ ল'ৰা দুটা, অনাথ ল'ৰা দুটা আৰু আমাৰ বস্তু বাহানী লগত লৈ এদিন নিজ ৰাজ্যলৈ অহা জাহাজত উঠিলো। যথা সময়ত জাহাজ এৰি দিলে আমাৰ ৰাজ্য অভিমুখে।

কেইদিনমান বতৰ বৰ ফৰকাল। আকাশ নিৰ্মল। আমি আনন্দ মনে জাহাজৰ পৰা সাগৰৰ পানীৰ ঢৌ চাই চাই কটালো। কোনো বিপদ-বিঘিনি হোৱা নাছিল সেই কেইদিনৰ ভিতৰত। জাহাজৰ সকলো মানুহৰ মনত বেচ আনন্দ। সৰু সৰু ল'ৰা-ছোৱালীবোৰে দিনত খেল-ধেমালি কটাই। আমি ডাঙৰবোৰেও নানা ধৰণৰ খেল যেনে—তাছ, ডবা আদি খেলি আটায়ে দিনবোৰ

blogasom.blogspot.in

পাৰ কৰিছিলো।

এদিন হঠাৎ আকাশত ক'লা মেঘ দেখা পালো। ক্ষন্তেক পাছতেই ধুমুহা আৰু বৰষুণ দিবলৈ ধৰিলে। ধুমুহাত জাহাজ ডুবো ডুবো হৈছে। জাহাজৰ নাৱিকসকলে জাহাজ ৰক্ষা কৰিব নোৱাৰিব ভাবি সৰু সৰু নাওঁত উঠি পলাল। তেওঁলোকৰ লগত আনবোৰ মানুহ পলাল। আমি তেতিয়া জাহাজৰ আমাৰ কোঠাত সোমাই আছিলো। মানুহবোৰ কলৈ গ'ল গম নাপালো।

জাহাজৰ মাস্তুল ভাঙি পৰিছে। সৰু সৰু ল'ৰা চাৰিওটাৰ বাবে আমি স্বামী-স্ত্ৰী পলাবৰ সুযোগ পোৱা নাছিলো। লাহে লাহে জাহাজ ডুবিব ধৰিলে। মই জাহাজৰ ভঙা মাস্তুলৰ ডাঙৰ কাঠডালৰ এটা মুৰত পত্নী, সৰু অ্যাণ্টিফোলাচ আৰু সৰু দ্ৰোমিওক ভালেদৰে বান্ধি দিলো। আনটো মুৰত ডাঙৰ অ্যাণ্টি-ফোলচ, ডাঙৰ দ্ৰোমিও আৰু মই নিজে বান্ধি ললো। তেনেতে জাহাজ পানীৰ তলত সম্পূৰ্ণ ডুবি গ'ল। আমি এনেভাবে বহি ললো যেন ভাৰসাম্য ৰক্ষা হয়। আমি মাস্তুলৰ কাঠত পানীত ভাহি থাকিলো।

অলপ সময় তেনেকৈ ভাহি থকাত দুৰৈত দুখন জাহাজ দেখা পালো। ভাবিছিলো জাহাজ দুখনে আমাকে উদ্ধাৰ কৰিব আহিছে। আমি হাতেৰে পানীত ব'ঠাৰ দৰে বাই বাই জাহাজৰ পিনে গৈ থাকিলো। ধুমুহাৰ কোব কমিব ধৰিলে। বৰষুণো কমিব ধৰিলে। জাহাজলৈ বেছি দূৰ নাই এনেতে এটা ভয়ানক ঘটনা ঘটি গ'ল। সাগৰৰ তলিত থকা পাহাৰত খুন্দা খাই মাস্তুলৰ কাঠডাল মাজতে ভাঙি গ'ল। তাত দুই পিনে দুটি পানীৰ সোঁত বৈ আছিল। এপিনে পত্নী আৰু সৰু ল'ৰা দুটি চিতিক পানীৰ সোঁতত বহু দূৰলৈ উটি গ'ল। বিপৰীত সোঁতত মই আৰু ডাঙৰ ল'ৰা দুটা উটি গ'ল। - চাওঁতে চাওঁতে কোনোৱে কাকো ভালদৰে দেখা নোপোৱা হ'ল। ৰিণিকি ৰিণিকি দেখিলো

blogasom.blogspot.in

মোৰ পত্নী আৰু তেওঁৰ লগত থকা ল'ৰা দুটিক জাহাজ এখনে পানীৰ পৰা উঠাই লৈছে। দুখৰ মাজতো অলপ আনন্দ পালো। যিয়েই নহওক পত্নী আৰু সৰু ল'ৰা দুটি বাচিল। আমি পানীৰ সোঁতত ভাহি ভাহি আনখন জাহাজৰ ওচৰ পালো। জাহাজৰ নাৱিক কেইজনমানে আমাক জাহাজত তুলি ল'লে। আমাৰ পৰিচয় পোৱাত জাহাজৰ কেপ্টেইনে বৰ আদৰ যত্ন কৰি শেষত আমাক নিজ ৰাজ্যৰ বন্দৰত নমাই দিলে। ল'ৰা দুটিক লগত লৈ নিজ ঘৰলৈ গলো। মোৰ মা-দেউতাক সিহঁত দুটিক সমজাই দি মই মোৰ পত্নী আৰু সৰু ল'ৰা দুটিক বিচাৰি গলো প্ৰতিটো সাগৰৰ দ্বীপে দ্বীপে। কেইবা বছৰে বিচাৰিলো ভালেমান দ্বীপত। ক'তো তেওঁলোকক বিচাৰি নাপাই পুনৰ ঘৰলৈ গলো। ল'ৰা দুজনক লগত লৈ মই পুনৰ ব্যৱসায় কৰিবলৈ আৰম্ভ কৰিলো।

দিন গৈ আছে কিন্তু মই মোৰ পত্নীৰ কোনো সন্ধান পোৱা নাছিলো। মোৰ ল'ৰা ডাঙৰ অ্যাশ্টিফোলাচ আৰু অনাথ ল'ৰা ডাঙৰ দ্ৰোমিওৰ বয়স ওঠৰ বছৰ হ'ল। সিহঁতে মাক আৰু ভায়েকক বিচাৰি দ্বীপ-দ্বীপান্তৰে যাবলৈ ইচ্ছা প্ৰকাশ কৰিলে। মই বাধা দিয়া সত্বেও মানিব নোখোজে। মই মনত সন্দেহ কৰিছিলো সিহঁত দুটি মাক আৰু ভায়েকক বিচাৰি গৈ যদি নিৰুদ্দেশ হয় তেতিয়া মই অকলশৰীয়া হ'ম। কাৰণ মোৰ মা-দেউতাও ঢুকাইছে। গতিকে মই সিহঁতৰ কথাত মান্তি হোৱা নাছিলো। নদীক ভেটা দিব পাৰিলেও ডেকা ল'ৰাৰ মনক বাধা দিয়া বৰ কঠিন।

মই বাধা কৰা বাবে সিহঁত দুয়ো খোৱা-লোৱা বাদ দিবলৈ ধৰিলে। সদায় দুখমনে কিবা ভাবি বহি থকা হ'ল। মাকক আৰু ভায়েকহঁতক নাপালে শুকাই মৰিব বুলি ভাবুকি দিলে। কি কৰিম। নিৰুপাই হৈ মাক আৰু ভায়েকহঁতক বিচাৰি যাবলৈ

blogasom.blogspot.in

অনুমতি দিলো। লগতে কৈছিলো পালে বা নাপালে ছমাহৰ ভিতৰত যেন সিহঁত পুনৰ উভতি আহে। সিহঁত মোৰ কথাত সন্তোষ পালে। সিহঁতে ছমাহ বেচ আৰামত খাব পৰা আৰু জাহাজৰ ভাড়া দিব পৰাৰ জোখাৰে মোহৰ কিছুমান দিলো। এদিন দুয়ো জাহাজত উঠি যাত্রা কৰিলে।

এদিন দুদিনকৈ মাহ পাৰ হ'ল। এমাহ দুমাহকৈ এবছৰ পাৰ হ'ল। মোৰ বৰ চিন্তা হ'ল। সিহঁত নিশ্চয় কিবা বিপদত পৰিছে ভাবি ময়ো ধন-বিত লৈ জাহাজত উঠিলো সিহঁতক বিচাৰিবলৈ। সুদূৰ প্ৰাচলৈ গলো। তাত বিচাৰি নাপায় এচিয়াৰ বন্দৰে বন্দৰে বিচাৰি ফুৰিলো। নাপালো। দীঘলীয় পাঁচ বছৰ ধৰি বিচাৰি ফুৰিলো দ্বীপে দ্বীপে। ক'তো একো খা-খবৰ নাপায় শেষত ঘৰলৈ উভটিব ইচ্ছা কৰিলো। উভতি অহাৰ পথত এই দ্বীপত এবাৰ চোৱাৰ ইচ্ছা হ'ল। সেইবাবে এই দ্বীপ পালো। তাৰ পাছৰ ঘটনাখিনি মহামান্য ডিউকে জানেই। এতিয়া কওক মোক কি কৰিব?

ভাগ্যহীন পিতৃৰ মৰ্মান্তিক কাহিনী শুনি ডিউকৰ মনত দয়া উপজিল তেওঁ ক'লে—"তোমাৰ কাহিনী সঁচাকৈয়ে বেদনাদায়ক। কিন্তু মই নিৰুপায়। এবাৰ যিখন আইন কৰা হৈছে সেই আইন অমান্য কৰিব নোৱাৰি। মই তোমাক এটাদিন সময় দিলো। এই দিনটোৰ ভিতৰত যদি আমাৰ ৰাজ্যৰ কোনো প্ৰজাই দয়াপৰৱশত তোমাৰ হকে এক হাজাৰ মোহৰ দিয়ে তেতিয়া তুমি মুক্তি পাবা নহ'লে তোমাৰ মৃত্যু হ'বই জানিবা।"

তেওঁক পুনৰ বন্দী গৃহত বন্দী কৰি ৰখা হ'ল। মৃত্যু সুনিশ্চিত ভাবি তেওঁ ঈশ্বৰৰ নাম জপ কৰি থাকিল।

সিপিনে যেতিয়া মাস্তুলৰ আন অংশ ভাঙি গৈছিল তাতেই আছিল ঈজিয়ানৰ স্ত্রী অ্যামেলিয়া আৰু তেওঁৰ সৰু পুত্ৰ সৰু অ্যান্টিফোলাচ আৰু অনাথ শিশু সৰু ড্ৰোমিও। তেওঁলোক

blogasom.blogspot.in

ভাহি ভাহি যিখন জাহাজ পাইছিল সেই জাহাজখন আছিল জলদস্যুৰ জাহাজ। দস্যু চৰ্দাৰে তেওঁলোকক জাহাজত তুলি ল'লে। সিহঁতে অ্যামেলিয়াক এফিচাচ বন্দৰত এৰি দিলে। ল'ৰা দুটি এজন ধনী যোদ্ধাৰ ওচৰত বিক্ৰী কৰি দি সিহঁত তাৰ পৰা গুচি গৈছিল।

সেই ধনী যোদ্ধাজন আছিল ডিউকৰ খুৰাক। ধুনীয়া সৰু ল'ৰা দুটিক দেখি ডিউকৰ বৰ মৰম লাগিছিল। তেওঁ খুৰাকক কৈ মিলি ল'ৰা দুটিকে নিজৰ ঘৰলৈ আনিছিল। চাওঁতে চাওঁতে দুয়ো ডাঙৰ হ'ল। ডিউকে দুয়োকো নানা ধৰণৰ শিক্ষা দিলে।

সৰু অ্যাণ্টিফোলাচ যুদ্ধবিদ্যাত পাকৈত হ'ল। ডিউক তেওঁক সৈন্যবিভাগৰ এজন উচ্চপদস্থ বিষয়া পাতিলে। সৰু ড্ৰোমিঅ' তেওঁক সহায়ক হ'ল। ডিউকে অ্যাণ্টিফোলাচত সুন্দৰ ঘৰবাৰী সজাই দিলে। সেই ৰাজ্যৰ এজন সম্ভ্ৰান্ত ঘৰৰ ছোৱালী এজনীক বিয়া কৰাইও দিলে।

নতুন ঘৰত অ্যাণ্টিফোলাচ, তেওঁৰ পত্নী আৰু চাকৰ ড্ৰোমিওৰ সৈতে সুখেৰে দিন কটাব ধৰিলে। ঐশ্বৰ্য্য, সম্মান, স্ত্ৰী আৰু ঘৰবাৰী পায়ো মাজে মাজে অ্যাণ্টিফোলচৰ মনত বৰ দুখ হয়। মাকৰ কি হ'ল, ক'লৈ গ'ল এইবোৰ চিন্তাই তেওঁক কেতিয়াবা বৰ দুখ দিয়ে। বহু খা-খবৰ কৰিও মাকক পোৱা নাই।

নিয়তিৰ খেলা বুজা টান। যিদিনা বুঢ়া ঈজিয়ানে হেৰোৱা পুত্ৰ আৰু পত্নীক বিচাৰি এফিচাচ দ্বীপত বন্দী হৈছে সেই দিনা-খনেই তেওঁৰ ডাঙৰ পুত্ৰ অ্যাণ্টিফোলাচ আৰু ডাঙৰ ড্ৰোমিও আহি সেই দ্বীপ পাইছিল। বন্দৰ পোৱাৰ আগতে জাহাজত এজন মানুহৰ লগত দুয়োজনে কথা পাতিছিল। মানুহজনে অ্যাণ্টি-ফোলাচৰ পৰিচয় পোৱাত কৈছিল—"তোমালোকে এফিচাচ দ্বীপত নিজ ৰাজ্যৰ কথা কেতিয়াও নকবা। ক'লেই বিপদত পৰিবা। কাৰণ তোমালোকৰ ৰাজ্যৰ মানুহ এই দ্বীপলৈ আহিলেই ডিউকক

blogasom.blogspot.in

প্ৰাণদণ্ড দিব।''

জাহাজৰ পৰা দ্বীপত নমাৰ আগতে সেই কথা জানি বৰ ভাল হ'ল। দুয়ো নিজৰ ৰাজ্যৰ নাম গোপন ৰাখিলে। বন্দৰত নমাৰ লগে লগে সৈন্যই প্ৰত্যেকজন যাত্ৰীৰ নাম আৰু ঘৰৰ ঠিকনা সুধিলে। এ্যান্টিফোলাচহঁতক সোধাত তেওঁলোকে এপিডেম দ্বীপৰ নাম ক'লে। তেতিয়া কোনো বিপদ নহ'ল। দ্বীপত নামিয়েই তেওঁলোকৰ ৰাজ্যৰ এজন বুঢ়া মানুহ বন্দী হৈ থকা শুনিলে। লগতে মানুহজনে এক হাজাৰ মোহৰ ডিউকক দিব পাৰিলে মুক্তি পোৱাৰ কথাও জানিলে। তেওঁলোকৰ ৰাজ্যৰ বুঢ়া মানুহজন সেই দ্বীপলৈ আহি প্ৰাণ দিবলগীয়া হোৱাত বৰ দুখ পালে। কিন্তু সেইজন তেওঁলোকৰ দেউতাক বুলি নাজানিলে।

আগতে কোৱা হৈছে যে ঈজিয়ানৰ যমজ ল'ৰা দুটিৰ আৰু অনাথ ল'ৰা দুটিৰ চেহেৰাৰ মিল আছে। সেইবাবে আন মানুহে ডাঙৰ এ্যান্টিফোলচ কোনটো সৰু এ্যান্টিফোলাচ কোনটো চিনিব নোৱাৰে। অনাথ দুই ভাতৃৰ চেহেৰা একে বাবে কোনজন ডাঙৰ দ্ৰোমিও আৰু কোনজন সৰু দ্ৰোমিও ধৰিব নোৱাৰে। নিয়তিয়ে আটাইকে একেটা দ্বীপলৈ আনিছে যদিও সকলোটিৰ দেখা সাক্ষাৎ ঘটা নাই সেই সময়লৈকে।

ডাঙৰ এ্যান্টিফোলাচে ডাঙৰ দ্ৰোমিওৰ হাতত জাহাজত থকা বস্তু-বাহানী দি 'চেন্টৰ' নামৰ হোটেলখনলৈ পঠিয়াই দিলে। জাহাজত লগ পোৱা মানুহজনে সেইখন ভাল হোটেল বুলি কৈছিল।

ডাঙৰ দ্ৰোমিওক হোটেললৈ পঠিয়াই দি ডাঙৰ এ্যান্টিফোলাচে এবাৰ চহৰখন ঘূৰি-পকি চাবলৈ খোজ ল'লে। এ্যান্টিফোলাচে দ্ৰোমিওক চাকৰ যদিও বন্ধুৰ দৰে ব্যৱহাৰ কৰে। দুখৰ সময়ত নানা ৰসিক কথাৰে দ্ৰোমিওৱে এ্যান্টিফোলাচৰ মনৰ পৰা দুখ ভাব আঁতৰাই দিয়ে। দ্ৰোমিওক বেচ বাক্‌স্বাধীনতা দিছে।

blogasom.blogspot.in

অ্যাণ্টিফোলাচ ৰাজপথেৰে আগুৱাই গৈ গৈ মাক আৰু হেৰোৱা ভাতৃৰ কথা ভাবি আছে। প্ৰায় সমগ্ৰ পৃথিৱী ভ্ৰমণ কৰিলে। ক'তো তেওঁলোকক বিচাৰি পোৱা নাই। একোবাৰ দেউতাকৰ কথাও ভাবিছে। ভাবি ভাবি তেওঁ বিভোৰ হৈছে এনেতে তেওঁৰ সন্মুখত দ্ৰোমিওক দেখি আচৰিত হ'ল। তেওঁ প্ৰশ্ন কৰিলে—"দ্ৰোমিও তুমি ইমান সোনকালে হোটেলৰ পৰা ঘূৰি আহি মোক লগ ধৰিলা? টকা-পইচাবোৰ ক'ত ৰাখিলা?" দ্ৰোমিওই আচৰিতভাৱে ক'লে—"এইবোৰ কি আজে বাজে বলকিছে? বলক তাৰাতাৰি ঘৰলৈ ব'লক। আইদেৱে আপোনাক মোৰ লগত যাবলৈ কৈছে। আপোনাৰ বাবে বন্দা বস্তুবোৰ এতিয়া চেঁচা হ'ব। আইদেৱে আপোনালৈ অপেক্ষা কৰি কৰি ভাগৰি পৰিছে। আপোনাক ধৰি নিবলৈ মোক পঠিয়াই দিছে। বলক পলম নকৰিব।"

দ্ৰোমিওৰ কথা বুজিব নোৱাৰি অ্যাণ্টিফোলাচ আচৰিত হৈ ক'লে—"তোমাৰ মূৰৰ বিকৃতি ঘটা নাইতো। কি কৈছা এইবোৰ?"

দ্ৰোমিওই তেতিয়া নম্ৰসুৰত ক'লে—"আপোনাৰ স্ত্ৰী আৰু খুলশালী ছোৱালীয়ে খোৱা টেবিলত আপোনাৰ বাবে অপেক্ষা কৰি আছে। পলম কৰিলে শেষত আইদেৱে খং কৰিব মোৰ ওপৰত। গতিকে পলম নকৰি তাৰাতাৰি ব'লক।"

বাৰে বাৰে একেটা কথা শুনি অ্যাণ্টিফোলাচৰ খং উঠিল দ্ৰোমিওৰ ওপৰত। তেওঁ ক'লে—"দ্ৰোমিও তুমিটো জানা মই বিয়া কৰোৱা নাই। তোমাৰ লগত ধেমালি কৰোঁ বাবেই তুমি এই ৰাস্তাৰ মাজত এনেকৈ ঠাট্টা কৰা উচিত হোৱা নাই। আমি বিদেশী। টকাখিনি হোটেলত ভালদৰে ৰাখিছা নে নাই তাকে কোৱা। পাগলামি এৰি পেলোৱা।"

দ্ৰোমিওৰ সকলোবোৰ ওলট-পালট হ'ল। টকা, হোটেল এইবোৰ শুনি তেওঁ একেবাৰে আচৰিত হ'ল। ইফালে তেওঁলোকৰ

blogasom.blogspot.in

কথা-বতৰা শুনি বহুত মানুহ গোট খালে। দ্ৰোমিও ভাবিলে অ্যাণ্টিফোলাচে ধেমালি কৰিছে নে কিবা অভিনয় কৰিছে? নে তেওঁৰ মুখৰ বিকৃতি ঘটিল। যি হৈছে তেওঁ বৰ নম্ৰভাবে অ্যাণ্টিফোলাচক ক'লে—"মালিক খং নকৰিব। ব'লক ঘৰলৈ। মই আপোনাৰ লগত ধেমালি কৰা নাই সঁচাকৈয়ে আপোনাৰ স্ত্ৰী আৰু তেওঁৰ ভনীয়েকে খোৱা টেবিলৰ কাষত বহি আপোনাক অপেক্ষা কৰি আছে। বলক।"

এইবাৰ অ্যাণ্টিফোলাচৰ ধৈৰ্য্য হেৰাল। "তোমাৰ আজি কি হৈছে" বুলি কেইটামান চৰ মাৰিলে। চৰ খাই দ্ৰোমিওই দৌৰি ঘৰলৈ গৈ আইদেৰেকৰ আগত সকলো কথা জনালে।

সেইজন আচলতে সৰু দ্ৰোমিও। অ্যাণ্টিফোলাচৰ পত্নীৰ নাম আদ্ৰিয়ানা। চাকৰ মুখে সকলো কথা শুনি তেওঁৰ বৰ খং উঠিল। তেওঁ ভাবিছে তেওঁৰ স্বামীয়ে নিশ্চয় কোনোবা সুন্দৰী গাভৰুক ভাল পাইছে সেইবাবে তেওঁক বেয়া পোৱা হ'ল। তেওঁ খংভাবে কবলৈ ধৰিলে—"বুজিলো তেওঁ তলে তলে মোক নজনোৱাকৈ কোনোবা গাভৰুক বিয়া কৰাব বিচাৰিছে। নহ'লে তেওঁ এনেদৰে সদায় সদায় খোৱাৰ সময়ত অনুপস্থিত থাকিব কিয়। মই সুধিলে কামৰ হেচাত পলম হোৱা বুলি কয়। আজি বুজিলো। এইবোৰ তেওঁৰ অভিনয়। তেওঁ পাগলৰ অভিনয় কৰি মোৰ পৰা আঁতৰি যাব বিচাৰিছে। নহ'ব মই সেইটো হ'বলৈ নিদিম। ময়ো হোটেললৈ যাম।"

আদ্ৰিয়ানাৰ সৰু ভনীয়েকে ক'লে—"বাইদেউ ইমান খং নকৰিবা। শান্তভাবে সকলো কাম কৰাচোন। বিচাৰ নকৰাকৈ মিছাতে খং কৰিছা কিয়?"

তেতিয়া যেনিবা তেওঁ অলপ শান্ত হ'ল। প্ৰকৃত ঘটনা কি জানিবলৈ সিদ্ধান্ত ল'লে। ইপিনে দ্ৰোমিওক চৰমাৰি খঙেৰে অ্যাণ্টিফোলাচ হোটেল পালে গৈ। হোটেল পাই দেখিলে দ্ৰোমিওই

blogasom.blogspot.in

টকা-পাইচাবোৰ হোটেলৰ মালিকক সমজাই দি এটি কোঠাত অ্যাণ্টিফোলাচ অহালৈকে অপেক্ষা কৰি আছিল। অ্যাণ্টিফোলাচে হোটেলত ড্ৰোমিওক দেখা পাই পুনৰ কৰলৈ ধৰিলে—"তুমি এটা পাগল। বাণ্টাই ঘাটে ঘ'তে ঘ'তে মোৰ লগত ৰসিকতা কৰা মই মুঠেই পচন্দ নকৰো। তুমি সেই কথাও আজি বুজি নাপালা।"

ড্ৰোমিওৱে একো বুজি পোৱা নাই। তেওঁ আচৰিত হৈ অ্যাণ্টিফোলাচৰ মুখৰ পিনে প্ৰশ্নবোধক দৃষ্টিৰে চাই থাকিল। ইতিমধ্যে স্বামীক বিচাৰি আদ্ৰিয়ানা আৰু ভনীয়েক সেই হোটেল পালে। হোটেলক অ্যাণ্টিফোলাচক দেখি নভবা নিচিন্তাকৈ থং ভাবে কবলৈ ধৰিলে—"বিয়াৰ পাছত তুমি মোক বৰ মৰম কৰিছিলা। কেইদিনমানৰ পৰা তোমাৰ কি হৈছে একো বুজি নোপোৱা হলো। মই বুজিছো তুমি নিশ্চয় কোনোবা গাভৰুক বিয়া কৰাবলৈ বিচাৰিছা। হাই ভগৱান মোৰ কপালত এয়াহে লিখা আছে প্ৰভু!"

অ্যাণ্টিফোলাচে যিমানে বুজালে যে তেওঁ আদ্ৰিয়ানাক চিনি নাপায়। আদ্ৰিয়ানাৰ কিবা ভুল হৈছে যিমানেই আদ্ৰিয়ানাৰ জেদ বাঢ়ি গৈছে। তেওঁ অ্যাণ্টিফোলাচৰ মুখৰ বিকৃতি ঘটা বুলি ধৰি ললে। হঠাৎ মানুহজনৰ এনে হ'ল। অ্যাণ্টিফোলাচৰ কোনো কথা নুশুনি ভনীয়েকজনীৰ সৈতে অ্যাণ্টিফোলাচক জোৰ কৰি হোটেলৰ পৰা ঘৰলৈ নিলে। বাধ্য হৈ ড্ৰোমিও আৰু অ্যাণ্টিফোলাচে তেওঁলোকৰ লগে লগে গ'ল। নগলে কিবা বিপদ হব পাৰে বুলি সন্দেহ কৰিলে।

ঘৰ পাই আদ্ৰিয়ানে দৰ্জা বন্ধ কৰি চাকৰক ক'লে—"কোনোবা মানুহে দৰ্জাত খুন্দিয়ালেও দৰ্জা খুলি নিদিবা।"

আদ্ৰিয়ানে অ্যাণ্টিফোলাচক বৰ আদৰ সাদৰ কৰিলে। স্বামীৰ দৰে ব্যৱহাৰ কৰিলে। খোৱা টেবিলত আদৰ যত্ন কৰি খুৱাব ধৰিলে। ড্ৰোমিও ৰান্ধনী ঘৰলৈ গ'ল। ৰান্ধনী ছোৱালীজনীয়ে

blogasom.blogspot.in

ডাঙৰ দ্ৰোমিওকো আদৰ যত্ন কৰি খুব্ৰাব ধৰিলে।

আদ্ৰিয়ানা ঘৰৰ পৰা খং ভাবে ওলাই যোৱাৰ অলপ পাছতেই সৰু দ্ৰোমিও ঘৰৰ পৰা ওলাই গৈছিল। বাটত কিবা বিপদ হ'ব বুলি ভাবি তেৱোঁ আদ্ৰিয়ানাক বিচাৰি গৈছিল। উভতি অহাৰ আগতেই আদ্ৰিয়ানাৰ লগত ডাঙৰ অ্যান্টিফোলাচ আৰু ডাঙৰ দ্ৰোমিও ঘৰ সোমাইছে। তেওঁ উভতি আহি দৰ্জা বন্ধ পালে।

ইপিনে সৰু অ্যান্টিফোলাচ নিজ ঘৰলৈ আহি দৰ্জা বন্ধ পালে। দৰ্জাত বহুসময় খুন্দিয়ালে। চাকৰে শব্দ শুনিও দৰ্জা খুলি দিয়া নাই। অ্যান্টিফোলাচ আচৰিত হ'ল। লগতে দ্ৰোমিও আচৰিত হ'ল। এনেকৈ কেনোদিনে দৰ্জা বন্ধ নাথাকে সেইদিনা কি হৈছে। খোৱাৰ সময় পাৰ হবৰ হ'ল। ভোক লাগিছে। অথচ দৰ্জা কোনোৱে খুলি দিয়া নাই। ঘৰৰ কাম কৰা ছোৱালী এজনীয়ে দৰ্জাৰ ভিতৰৰ পৰা ক'লে—"এতিয়া দৰ্জা খোলা নহ'ব। কোন আছে অলপ অপেক্ষা কৰিব লাগিব। আইদেউ আৰু ছাৱে যাব বহিছে। দ্ৰোমিওয়ো খাই আছে। কিবা কাম থাকিলে পাছত আহিব। এতিয়া দৰ্জা খুলিবলৈ আইদেৱে বাধা কৰিছে। বেয়া নাপাব।"

অ্যান্টিফোলাচে ভাবিলে নিশ্চয় তেওঁৰ পত্নীয়ে কোনোবাৰ লগত খাবলৈ বহিছে। তেওঁৰ ভীষণ খং। দৰ্জা নুখুলি একো কৰিব নোৱাৰে। তেওঁ নিৰুপায় হৈ পুনৰ কামলৈ গ'ল।

খোৱাৰ সময়ত আদ্ৰিয়ানাই অ্যান্টিফোলাচক স্বামীৰ দৰে ব্যৱহাৰ নকৰিবলৈ বাৰে বাৰে বাধা দিছে। তেওঁ একোতেই মানা নাই। তেওঁ ভাবিছে সামান্য হ'লেও স্বামীৰ মূৰৰ বিকৃতি ঘটিছে গতিকে তেওঁ আগতকৈয়ো বেছি ভাল ব্যৱহাৰ কৰিলে। তেওঁ চেষ্টা কৰিলে যেন স্বামীয়ে তেওঁক পাছলৈ বেয়া নাপায়।

ডাঙৰ দ্ৰোমিওকো ৰান্ধনী ছোৱালীজনীয়ে বৰকৈ মৰম কৰিলে। দ্ৰোমিও ভাবিছে তেওঁলোকে সপোন দেখিছে নাইবা

blogasom.blogspot.in

এইখন কিবা যাদুমন্ত্ৰৰ দেশ।

আদ্রিয়ানাৰ সৰু ভনী অবিবাহিতা লুচিয়ানাক দেখি ডাঙৰ অ্যাণ্টিফোলাচে কিবাকিবি কথা পাতিব খোজাত আদ্রিয়ানাই বাধা দিলে।

মালিক আৰু ভৃত্য দুয়োৰো মহা চিন্তা হ'ল। কিহৰ মাজত সোমাল তেওঁলোক দুয়ো। সোনকালে পলাব নোৱাৰিলে বিপদ হ'ব। প্ৰয়োজন হলে সেই বন্দৰ এই পলাবলৈ স্থিৰ কৰিলে।

এটা সময়ত দুয়ো পলাবৰ সুযোগ পালে কাৰণ দুপৰীয়াৰ আহাৰ খাই আদ্রিয়ানাই বিচনাত শুইছিল। সেই সময়তে দুয়ো ঘৰৰ পৰা ওলাই গ'ল। কিছুদূৰ গৈ লগ পালে এজন সোণাৰীক। এইবাৰ সোণাৰীৰো ভুল হ'ল। তেওঁ এডাল সোণৰ হাৰ অ্যাণ্টি-ফোলাচৰ হাতত দিলে। অ্যাণ্টিফোলাচে কলে সেইডাল হাৰ তেওঁৰ নহয়। সোণাৰীয়ে ক'লে—"আপোনাৰ কথামতে হাৰডাল গঢ়ালো। লৈ যাওঁক পইচা ঘৰত গৈ দিলেও হ'ব বাৰু।"

সোণাৰী থৈ পুনৰ নিজৰ দোকানলৈ গৈ কামত লাগিল কি, কাণ্ড একো বুজিব পৰা নাই। হাৰডাল লৈ গৈ থাকিল। ভাবিলে এই ঠাই ত্যাগ নকৰিলে বিপদ হব। মাক আৰু ভায়েকক বিচৰাৰ আশা ত্যাগ কৰিবই লাগিব বুলি ভাবিলে।

সন্ধ্যাৰ আগে আগে সৰু অ্যাণ্টিফোলাচ ঘৰলৈ গৈছে। তেওঁক লগে লগে সৰু দ্রোমিও। ঘৰৰ পৰা অলপ আঁতৰত ৰাস্তাতে সেই সোণাৰিক লগ পালে। সোণাৰীয়ে হাৰডালৰ দাম খুজিলে। সৰু অ্যাণ্টিফোলাচে ক'লে—"হাৰডাল আগতে নিদিয়া কিয় হাৰডাল পালেহে মূল্য পাবা। হাৰডাল নাপালে মূল্য দিম কিয়?"

সোণাৰীয়ে ভাবিলে অ্যাণ্টিফোলাচে হাৰডালৰ মূল্য নিদিব। তেওঁ ক'লে—"দুটোমান কথাত আপোনাৰ হাতত হাৰডাল দিলো। ঘৰৰ পৰা মূল্য নিম বুলি ইয়ালৈ আহিলো। আপুনি কেনেকুৱা

blogasom.blogspot.in

মানুহ মিছা মাতিলে কিয় ?"

—মই পিছা মাতিলো নে তুমি মিছাকৈ মোক ঠগিব খুজিছা ? যোৱা গুচি যোৱা। হাব দিবা তাৰ পাছত মূল্য বিচাৰিবা।

দুয়োৰো মাজত ভীষণ বাক-বিতণ্ডা চলিল। ইজনে সিজনক গালি পাৰিব ধৰিলে। বাণ্টাত মানুহ ভৰি পৰিল। সোণাৰীয়ে উপায় নাপায় চৰকাৰী পিয়াদা মাতি আনিলে। পিয়াদাই অ্যাণ্টিফোলাচক বান্ধি জেললৈ নিব ধৰিলে। অ্যাণ্টিফোলাচ যে সৈন্য বিভাগৰ ডাঙৰ অফিচাৰ সেই কথা সোণাৰীও নাজানে পিয়দা-জনেও নাজানে। জানিলে ঘটনা বেলেগ হলহেঁতেন। তেওঁক বান্ধি লৈ গৈ থাকিল। সৰু দ্ৰোমিওই দৌৰি দৌৰি ঘৰ পালে। ঘৰত আইৰেজেকৰ আগত সকলো কথা জনালে। আদ্ৰিয়ানাই তৎক্ষণাত দুইশ মোহৰ দ্ৰোমিওক দি পঠিয়ালে। স্বামীৰ মুখত বিকৃতি খুব বেছি হৈছে বুলি মনত বৰ দুখ পালে। সৰু দ্ৰোমিও দৌৰি গৈ লগ পালে ডাঙৰ অ্যাণ্টিফোলচাক। তেওঁ খালাচ হৈছে ভাৰি মোহৰ কেইটা তেওঁৰ হাতত দিলে। নল'লে পুনৰ ভদ্ৰমহিলাৰ পালত পৰিবৰ ভয়। গতিকে মোহৰ কেইটা লৈ হোটেলৰ পিনে গুচি গ'ল। দ্ৰোমিওই মোহৰকেইটা দি গুচি গ'ল অলপ দূৰলৈ। লক্ষ্য কৰিলে অ্যাণ্টিফোলাচে কি কৰে কলৈ যায়।

ডাঙৰ অ্যাণ্টিফোলাচে মোহৰ লৈ বাটে বাটে ভাবি গ'ল সচাঁকৈয়ে তেওঁলোক কিবা মায়াজালত পৰিছে। বাটে বাটে গৈ থকা সময়ত বহুমানুহে তেওঁক দেখি সন্মান জনালে। কিছুমানে ঘৰলৈও নিমন্ত্ৰণ জনালে। কি হৈছে একো বুজিব পৰা নাই। তেওঁ হোটেললৈ গৈ ডাঙৰ দ্ৰোমিও দেখা পালে। ভাবিলে তেওঁ আগতেই হোটেল পাইছে। তেওঁ দ্ৰোমিও বস্তুবাহানী লৈ জাহাজ ঘাটলৈ যাবলৈ ক'লে। অলপ পাছত তেৰোঁ গৈ জাহাজ ঘাট পালে।

সৰু দ্ৰোমিওই সকলোবোৰ দেখি দৌৰি গ'ল ঘৰলৈ। ঘৰত ক'লে—"আইদেউ আমাৰ ছাবৰ কিবা হৈছে নিশ্চয়। তেওঁ

blogasom.blogspot.in

জাহাজত উঠি কৰফালৈ যাব বিচাৰিছে।"

এইবোৰ কথা শুনি আদ্ৰিয়ানাই ভনীয়েক লুচিয়ানাক লগত লৈ স্বামীক ধৰি আনিবলৈ যেগাই খোজ দিলে জাহাজ ঘাটলৈ বুলি। বাটত লগপালে সৰু অ্যাণ্টিফোলাচক। পিয়াদাই বান্ধি লৈ গৈ আছে। আদ্ৰিয়ানাক দেখাৰ লগে লগে তেওঁ গালি পাৰিব ধৰিলে। তেওঁ কবলৈ ধৰিলে—"এয়া জানো স্ত্ৰীৰ ব্যৱহাৰ? তোকত তং নাপাই ঘৰলৈ যাওঁতেও তুমি দৰ্জা বন্ধ কৰি পৰপুৰুষৰ লগত খাইছিলা। তুমি মোক স্বামী বুলি নাভাবা। পিয়াদাই মোক এনেকৈ বান্ধি অনাৰ মূলতে তুমি। তুমি যদি দ্ৰোমিওৰ হাতত টকা পঠিয়ালাহেঁতেন মোৰ এনে দশা নহয়।"

আদ্ৰিয়ানাই ভাবিলে স্বামী সচাঁকৈয়ে বোধ হয় পাগল হ'ল। তেওঁ কান্দিব ধৰিলে। তেওঁৰ কান্দোন শুনি বহুমানুহ গোট খালে। বেছিভাগে অ্যাণ্টিফোলাচক চিনি পায়। মানুহবোৰে পিয়াদাক বুজাই বঢ়াই অ্যাণ্টিফোলাচক মুক্ত কৰি ঘৰলৈ নিলে। ঘৰৰ ভিতৰত ৰাখি তৎক্ষণাত ওচৰৰ কবিৰাজক মাতি আনিলে। চিকিৎসা কৰা দূৰৈৰ কথা অ্যাণ্টিফোলাচৰ হাতত মাৰ খাই পলাই গ'ল। উপায় নাপায় আটায়ে মিলি অ্যাণ্টিফোলাচক এটা কোঠাত সুমাই বাহিৰৰ পৰা দৰ্জা বন্ধ কৰি থলে। আদ্ৰিয়ানাই হাৰডালৰ মূল্য লৈ সোণাৰীৰ তালৈ গ'ল। অলপ দূৰ গৈ পুনৰ দেখা পালে অ্যাণ্টিফোলাচক। সেই জন ডাঙৰ জন। লগতে দেখা পালে ডাঙৰ দ্ৰোমিওক। তেওঁ একেবাৰে আচৰিত হ'ল। এই মাত্ৰ ঘৰৰ ভিতৰত দৰ্জাত খিল লগাই অ্যাণ্টিফোলাচক ৰাখি আহিছে পুনৰ দেখা পালে ৰাস্তাত।

আদ্ৰিয়ানা দৌৰি গ'ল অ্যাণ্টিফোলাচক ধৰিবলৈ। ডাঙৰ অ্যাণ্টিফোলাচ আৰু দ্ৰোমিওইও তেওঁক দেখা পালে। তেওঁলোকে পুনৰ ধৰা নিদি ওচৰতে থকা এটি মঠৰ ভিতৰত সোমাই আশ্ৰয় ললে। বাহিৰত সেই মঠৰ বুঢ়ী সন্যাসিনী এজনীক দেখি

blogasom.blogspot.in

আদ্ৰিয়ানাই ক'লে—"মোৰ স্বামী পাগল হৈছে। তেওঁ মঠৰ ভিতৰলৈ সোমাই গ'ল। তেওঁক উলিয়াই দিয়ক।"

অ্যাণ্টিফোলাচ আৰু দ্ৰোমিওক পাগল যেন নালাগে। আদ্ৰিয়ানাই নিশ্চয় কিবা অভিসন্ধি কৰি দুয়োকো কৰবাতে নি কিবা শাস্তি দিব পাৰে বুলি ভাবিলে সন্যাসিনীজনীয়ে। তেওঁ ক'লে "এই মঠৰ ভিতৰত আশ্ৰয় লোৱা মানুহক মঠৰ বাহিৰ কৰি দিয়া নিয়ম নাই। তুমি কোৱা ধৰণে ল'ৰা দুজনক পাগল যেন নালাগে। তোমাৰ নিশ্চয় কিবা ভুল হৈছে। ঘোৰৰ ঘৰলৈ ঘোৰাগৈ।"

উপায় নাপায় আদ্ৰিয়ানা ডিউকৰ ওচৰলৈ গ'ল। উদ্দেশ্য ডিউকে ক'লে। তেওঁৰ স্বামীক মঠৰ পৰা ঘৰলৈ নিব পাৰিব।

সূৰ্য অস্ত যাওঁ যাওঁ হৈছে। বুঢ়া ঈজিয়ানক দিনটোৰ ভিতৰত কোনো মানুহে দেখা নকৰিলে। কোনোৱে তেওঁৰ জামিনদাৰো নহ'ল। তেওঁৰ মৃত্যু সুনিশ্চিত। কিছুমান সৈনাই বুঢ়াক মঠৰ পিনে নিব ধৰিছে। মঠত তেওঁৰ প্ৰাণনাশ কৰা হব। তেওঁৰ ডিঙিকটাৰ দৃশ্য চাবৰ বাবে হাজাৰ হাজাৰ মানুহে মঠলৈ গৈ আছে। মহামান্য ডিউকো তালৈ গৈছে। বাটতে লগপালে আদ্ৰিয়ানাই। তেওঁ ডিউকৰ ওচৰলৈ গৈ কান্দি কান্দি ক'লে—"হে মহামান্য ডিউক মোৰ স্বামী অ্যাটিফোলাচ হঠাৎ পাগল হৈ ভিতৰলৈ সোমাই গৈছে। মঠৰ সন্যাসিনীক কাকুতি-মিনতি কৰা সত্বেও তেওঁ মোৰ স্বামীক মঠৰ পৰা বাহিৰ কৰি নিদিলে। মই নিৰুপায় হৈ আপোনাৰ ওচৰলৈ আহিছো। আপুনি এটি সুবিচাৰ কৰি দিয়ক।"

ডিউকৰ মৰমৰ অ্যাণ্টিফোলাচ পাগল হৈছে। কথাষাৰ শুনাৰ লগে তেওঁৰ মনত বৰ দুখ লাগিল। তেওঁ আদ্ৰিয়ানাক ক'লে—"তুমি চিন্তা নকৰিবা আই। চিন্তা নকৰিবা। মোৰ মৰমৰ অ্যাণ্টিফোলাচৰ দৰে বুদ্ধিমান ল'ৰাজন পাগল হ'ল। মই কোনোমতে সহ্য নকৰিম। দোষীক দণ্ড দিম। তুমি ধৈৰ্য্য ধৰা।"

blogasom.blogspot.in

কথা-বতৰা চলি থাকোতে সৰু অ্যাশ্চিফোলাচ মানুহৰ ভীৰ ঠেলি ডিউকৰ ওচৰ পালে। তেওঁৰ উদ্দেশ্য তেওঁৰ পত্নী আদ্ৰিয়ানাৰ বিৰুদ্ধে ডিউকৰ ওচৰত গোচৰ দিব। কাৰণ তেওঁৰ পত্নীয়ে আজি তেওঁক বৰ অপমান কৰিছে। শেষত ঘৰৰ ভিতৰত বন্দী কৰি থৈ তেওঁ পলাই গৈছে। তেওঁৰ ঘৰত বন্দী হৈ থকাসকলোক বুজাই বঢ়াই মুকলি হৈ ডিউকৰ ওচৰ পাইছে।

অলপ আগতে মঠৰ ভিতৰত থকা স্বামী পুনৰ ডিউকৰ ওচৰ পালে কেনেকৈ? আদ্ৰিয়ানা একেবাৰে অবাক হ'ল।

সৰু অ্যাশ্চিফোলাচক দেখা পাই বন্দী ঈজিয়ান আনন্দত আত্মহাৰা হ'ল। তেওঁ ভাবিলে মৃত্যুৰ আগতে ভগবান পুত্ৰেকক দেখুৱালে। তেওঁ জোৰেৰে চিঞৰি দিলে—"বোপা অ্যাশ্চিফোলাচ। মই ইয়াত আছো বোপা। মৃত্যুৰ আগতে তোক দেখা পাই মই নিজেকে ধন্য মানিছো। মোৰ ওচৰলৈ আহ বোপা। তোক মই এবাৰ বুকুত সাৱটি ধৰোঁ।"

অ্যাশ্চিফোলাচে একো বুজি পোৱা নাই। তেওঁ বুঢ়াক ক'লে—"মই তোমাকে চিনি নাপাওঁ। তোমাক আগতে দেখা মনত নপৰে। তুমি কেনেকৈ মোৰ নাম জানিলা?"

ঈজিয়ানে ভাবিলে পৰিচয় জানিলে অ্যাণ্টিফোলাচৰো বিপদ হব পাৰে বাবেই হয়তো চিনি নোপোৱাৰ ভাও ধৰিছে। নাইবা তেওঁৰ দাড়ি-গোঁফ বেছি হোৱা বাবেও চিনিব পৰা নাই। তেওঁৰ বাবে জামিনৰ টকা দিলে তেওঁ বাচিব কিন্তু ল'ৰা অ্যাশ্চিফোলাচক পৰিচয় সুধি ডিউকে নিশ্চয় প্ৰাণদণ্ড দিবই গতিকে তেওঁ মনে মনে থাকিল। ভাবিলে মৃত্যুৰ আগতে এজন পুত্ৰেকক দেখা পাইছে যেতিয়া জীৱন সাৰ্থক হ'ল।

কথা-বতৰা পাতি থকা সময়ত মঠৰ সন্ন্যাসিনীয়ে ডাঙৰ অ্যাশ্চিফোলাচ আৰু ডাঙৰ ড্ৰোমিওক লগত লৈ সেই ঠাই পালে। তেতিয়া আদ্ৰিয়ানাৰ অৱস্থা একেবাৰে কাহিল। চকুৰে ভুল দেখা

blogasom.blogspot.in

নাইতো। দুজন এ্যাণ্টিফোলাচ আৰু দুজন দ্ৰোমিঅ' এয়া সপোন নে দিঠক। নে তেওঁৰ মনৰ ভ্ৰান্তি। তেওঁ তথা ঈজিয়ান চাইছে দুয়োজন এ্যাণ্টিফোলাচলৈ। একেই চেহেৰা একেই মুখ। দুয়োজন এ্যাণ্টিফোলাচেও তৰধ মানিছে। দ্ৰোমিঅ' দুয়োজনেও তৰধ মানিছে। ঘটনা কি?

আনৰ কথা না লাগে ডিউক নিজেও আচৰিত হৈছে। ঈজিয়ান নিজেও আচৰিত হৈছে যদিও তেওঁ বুজি পাইছে যে সেই দুয়োজন তেওঁৰ ল'ৰা। দুয়ো দ্ৰোমিঅ' অনাথ শিশু দুজন।

উপস্থিত জনতাৰো একে একে চেহেৰাৰ দুজন দুজন মানুহ দেখি মুখৰ মাত হেৰাল।

ডিউকৰ মনত পৰিল ঈজিয়ানে কোৱা তেওঁৰ দুখৰ কাহিনী-বোৰ। তেওঁ বুজিব পাৰিলে নিশ্চয় ঈজিয়ানৰ হেৰোৱা পুত্ৰ আৰু চাকৰ সেইকেইজন।

মঠৰ সন্যাসিনীয়ে গম্ভীৰ ভাৱে ডিউকক কবলৈ ধৰিলে—
"মই মোৰ কাহিনী কওঁ শুনক মহামান্য ডিউক। স্বামী সৈতে দুই পুত্ৰ আৰু দুই পালিত পুত্ৰৰ লগত নিজ দেশলৈ আহোঁতে জাহাজ ডুবিছিল। স্বামীৰ লগত আছিল ডাঙৰ এ্যাণ্টিফোলাচ আৰু ডাঙৰ দ্ৰোমিঅ'। মোৰ লগত আছিল সৰু এ্যাণ্টিফোলাচ আৰু সৰু দ্ৰোমিঅ'। জাহাজৰ মাস্তুল সাগৰৰ পাহাৰত খুন্দা লাগি ভাঙিছিল। সাগৰৰ পানীৰ এটি সোঁতে আমাক উটুৱাই নিছিল এখন জলদস্যুৰ জাহাজৰ ওচৰলৈ। স্বামী কলৈ গ'ল গম নাপালো। দস্যুহঁতে আপোনাৰ ৰাজ্যলৈ আমাক লৈ আহিল। মোক এৰি দি সন্তান দুটিক ৰাখি আপোনাৰ ৰাজ্যৰ এজন ধনী যোদ্ধাৰ তাত বিক্ৰী কৰিছিল। তেওঁ সন্তান দুটিক লৈ গ'ল। কলৈ গ'ল নাজানো। মই নিৰুপায় হৈ আপোনালোকৰ মঠত সন্যাসিনী হৈ বাস কৰিছো। মোৰ নাম_এ্যামেলিয়া।"

এ্যামেলিয়া মঠত থকাত মঠৰ কামকাজ বৰ ভালদৰে চলিছিল।

blogasom.blogspot.in

তেওঁৰ কৰ্ত্তব্যনিষ্ঠ আৰু সেৱা-শুশ্ৰূষাত মোহিত হৈ ডিউকে আৰু মঠৰ সন্যাসিয়ে তেওঁক মঠৰ অধ্যক্ষা পদত অভিষিক্ত কৰিছে। তেওঁৰ মঠতে পুতেক সৰু অ্যাণ্টিফোলাচ আৰু সৰু সৰু দ্ৰোমিওই প্ৰাথমিক শিক্ষা লাভ কৰিছিল।

সুদীৰ্ঘ সময় মাক-দেউতাক আৰু পুত্ৰ আঁতৰি থাকি পুনৰ-মিলন হোৱাৰ আনন্দত ঈজিয়ানে নিজৰ প্ৰাণদণ্ডৰ আদেশৰ কথা পাহৰিলে। সৰু অ্যাণ্টিফোলাচে দেউতাৰ বাবে একশ মোহৰ আনি ডিউকক দিবলৈ সন্মত হ'ল। ডিউকে সেই মধুৰ মিলনত আনন্দ পাই ঈজিয়ানক মুক্ত কৰি দিলে। আটাইৰে মিলন হ'ল। অ্যাণ্টিফোলাচৰ পৰা ডিউকে কোনো জৰিমানা নললে।

ডিউকে তেওঁলোক ঘৰমাটি দি তাত থাকিবলৈ দিলে। ডাঙৰ অ্যাণ্টিফোলাচৰ লগত সৰু অ্যাণ্টিফোলাচৰ খুলশালীয়েই বিয়া দিলে। আটায়ে মহাসুখে এফিচাচ দ্বীপত বসবাস কৰি থাকিল।

সমাপ্ত